**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-08-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

ooooo

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চীনৰ ৰাষ্ট্ৰপতি শ্বি ঝিনপিঙে আজি দুয়োখন দেশ প্ৰতিদ্বন্দ্বী নহয়, বৰং উন্নয়নৰ সহযোগী আৰু দুয়োখন দেশৰ বিভিন্ন মতভেদ বিবাদত পৰিণত হোৱা উচিত নহয় বুলি দোহাৰিছে।

২। শ্ৰীমোদীয়ে চাংহাই সহযোগিতা সংস্থাৰ সন্মিলনত ভাগ লোৱাৰ সুযোগতে আজি ম্যানমাৰৰ সুৰক্ষা আৰু শান্তি আয়োগৰ অধ্যক্ষ জ্যেষ্ঠ জেনেৰেল মীন আং হ্লাইঙক সাক্ষাৎ কৰে।

৩। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি আহমেদাবাদ আৰু গান্ধীনগৰ ভ্ৰমণ কৰে।

৪। লক্ষ্ণৌৰ এটা অবৈধ ফটকা কাৰখানাত আজি সংঘটিত এটা বিস্ফোৰণত দুগৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ৫ গৰাকী লোক আহত হয়।

*আৰু*

৫। বিহাৰৰ ৰাজগীৰত অনুষ্ঠিত পুৰুষৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰতে আজি জাপানক ৩-২ গ'লত পৰাস্ত কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু চীনৰ ৰাষ্ট্ৰপতি শ্বি ঝিনপিঙে আজি দুয়োখন দেশ প্ৰতিদ্বন্দ্বী নহয়, বৰং উন্নয়নৰ সহযোগী আৰু দুয়োখন দেশৰ বিভিন্ন মতভেদ বিবাদত পৰিণত হোৱা উচিত নহয় বুলি দোহাৰিছে। দুয়োগৰাকী নেতাই চীনৰ তিয়ানজিনত অনুষ্ঠিত চাংহাই সহযোগিতা সংস্থাৰ সন্মিলনত ভাগ লোৱাৰ সুযোগতে মিলিত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুয়োখন দেশৰ মাজৰ সম্পৰ্ক অটুট ৰখাৰ বাবে দুয়োখন দেশৰ মাজৰ সীমান্ত অঞ্চলত শান্তি আৰু স্থিতাৱস্থা বাহাল ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। দুয়োগৰাকী নেতাই ৰাজনৈতিক দৃষ্টিভংগীৰে দেশ দুখনৰ মাজৰ সীমান্ত অঞ্চলৰ বিবাদ সন্দৰ্ভত পাৰস্পৰিক আৰু শান্তিপূৰ্ণ গ্ৰহণযোগ্যতাৰে সমাধান কৰাৰ বাবে দায়বদ্ধ বুলি উল্লেখ কৰে। ভাৰত আৰু চীনে চলিত মাহৰ আৰম্ভণিতে

দুয়োখন দেশৰ বিশেষ প্ৰতিনিধিৰ আলোচনাৰ অন্তত লোৱা গুৰুত্বপূৰ্ণ সিদ্ধান্তত সহমত প্ৰকাশ কৰাৰ লগতে এই ক্ষেত্ৰত সহযোগিতা আগবঢ়াব বুলি সন্মত হৈছে। তেওঁলোকে লগতে দুয়োখন দেশৰ মাজৰ জনসাধাৰণৰ মাজৰ সম্বন্ধ সুদৃঢ় কৰাৰ বাবে দেশ দুখনৰ মাজত পোনপটীয়া বিমান সেৱা আৰু ভিছাৰ সুবিধা প্ৰৱৰ্তনৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। তেওঁলোকে লগতে কৈলাশ-মানসৰোবৰ যাত্ৰা পুনৰ আৰম্ভ কৰা আৰু এই ক্ষেত্ৰত ট্যুৰিষ্ট ভিছাৰ ব্যৱস্থা কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। তেওঁলোকে লগতে দ্বিপাক্ষিক, আঞ্চলিক আৰু গোলকীয় বিষয় আৰু প্ৰত্যাহ্বানসমূহ বিশেষকৈ সন্ত্ৰাসবাদ আৰু মুক্ত বাণিজ্যৰ ক্ষেত্ৰত বহুপাক্ষিক মঞ্চৰ প্ৰয়োজনীয়তাৰ ওপৰতো গুৰুত্ব আৰোপ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তিয়ানজিনত অনুষ্ঠিত চাংহাই সহযোগিতা সংস্থাৰ সন্মিলনত ভাগ লোৱাৰ সুযোগতে ম্যানমাৰৰ সুৰক্ষা আৰু শান্তি আয়োগৰ অধ্যক্ষ জ্যেষ্ঠ জেনেৰেল মীন আং হ্লাইঙক সাক্ষাৎ কৰে। বৈঠকত শ্ৰীমোদীয়ে কয়, যে ভাৰতে চুবুৰীয়া নীতি প্ৰথম, এক্ট ইষ্ট আৰু ভাৰত-প্ৰশান্ত মহাসাগৰীয় নীতিৰ অধীনত ম্যানমাৰৰ সৈতে গুৰুত্বপূৰ্ণ সম্বন্ধ ৰক্ষা কৰি আহিছে। দুয়োগৰাকী নেতাই দ্বিপাক্ষিক সম্বন্ধৰ পুনৰীক্ষণ কৰাৰ লগতে দ্বিপাক্ষিক সহযোগিতাৰ বিভিন্ন দিশ বিশেষকৈ, উন্নয়ন সহযোগিতা, প্ৰতিৰক্ষা আৰু সুৰক্ষা, সীমান্ত ব্যৱস্থাপনা আৰু সীমান্ত বাণিজ্য সম্বন্ধীয় বিষয়সমূহৰ ওপৰত আলোচনা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে দুয়োখন দেশৰ মাজৰ জনসাধাৰণৰ সম্বন্ধ অধিক বৃদ্ধি কৰা আৰু অব্যাহত থকা যোগাযোগ প্ৰকল্পসমূহৰ অগ্ৰগতিৰ ওপৰত গুৰুত্ব আৰোপ কৰে যাতে, আঞ্চলিক সহযোগিতা বৃদ্ধি কৰি ভাৰতৰ এক্ট-ইষ্ট নীতি বাস্তৱায়িত কৰিব পৰা যায়। শ্ৰীমোদীয়ে ম্যানমাৰৰ সমাগত নিৰ্বাচন শান্তিপূৰ্ণভাৱে সংশ্লিষ্ট পক্ষই অনুষ্ঠিত কৰিব বুলি আশা প্ৰকাশ কৰে। শান্তিপূৰ্ণ বাৰ্তালাপ আৰু আলোচনাৰ মাধ্যমেৰে ম্যানমাৰৰ শান্তি প্ৰক্ৰিয়াত ভাৰতে সমৰ্থন কৰে বুলি তেওঁ উল্লেখ কৰে। শ্ৰীমোদীয়ে ম্যানমাৰৰ প্ৰয়োজনীয় উন্নয়নৰ ক্ষেত্ৰত সহায় কৰিবলৈ ভাৰত সাজু আছে বুলি দোহাৰে।

ooooo

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি আহমেদাবাদ আৰু গান্ধীনগৰ ভ্ৰমণ কৰে। জন-কল্যাণ আৰু নগৰ উন্নয়নৰ বিভিন্ন পদক্ষেপৰ ওপৰত গুৰুত্ব আৰোপ কৰি গৃহ মন্ত্ৰীগৰাকীয়ে এই ভ্ৰমণ কৰে। শ্ৰীশ্বাহে আজি পুৰা গোটা আৰু চান্দলোডিয়া ৱাৰ্ডত নগৰীয়া স্বাস্থ্য কেন্দ্ৰ উদ্বোধন কৰাৰ লগতে গছপুলি ৰোপণ কৰে। তেওঁ লগতে ভদ্ৰকালী মন্দিৰতো পূজা কৰে। গৃহমন্ত্ৰীগৰাকীয়ে পুনৰনিৰ্মাণ কৰা চৰ্দাৰ বাগো উদ্বোধন কৰে।

ooooo

লক্ষ্ণৌৰ গুদাম্বা আৰক্ষী চকীৰ বেহতা বজাৰ অঞ্চলত থকা এটা অবৈধ ফটকা কাৰখানাত আজি সংঘটিত এটা বিস্ফোৰণত দুগৰাকী লোকৰ মৃত্যু হোৱাৰ লগতে ৫ গৰাকী লোক আহত হয়। জিলা দণ্ডাধীশ ভিছাক জিয়ে জনোৱা মতে, এছ ডি আৰ এফ, এন ডি আৰ এফ আৰু আৰক্ষীৰ দলে ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰিছে। মুখ্যমন্ত্ৰী যোগী আদিত্যনাথে ঘটনাক কেন্দ্ৰ কৰি শোক প্ৰকাশ কৰাৰ লগতে আহতসকলক উপযুক্ত চিকিৎসা প্ৰদান কৰিবলৈ বিভাগীয় কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশে স্থানীয় সামগ্ৰীৰ ব্যৱহাৰত উদগণি যোগোৱা ভোকেল ফৰ লোকেল, আত্মনিৰ্ভৰ ভাৰত আৰু বিকশিত ভাৰতৰ মন্ত্ৰৰে আগবঢ়া উচিত বুলি প্ৰকাশ কৰিছে। আকাশবাণীৰ মন কী বাত অনুষ্ঠানত শ্ৰীমোদীয়ে আজি কয়, যে উৎসৱৰ বতৰত দেশবাসীয়ে স্বদেশী সামগ্ৰীৰ কথা পাহৰা উচিত নহয়। তেওঁ কয় যে উপহাৰ আৰু সাজ-সজ্জাৰ বাবে মেড ইন ইণ্ডিয়া অৰ্থাৎ দেশতে নিৰ্মিত সামগ্ৰী ব্যৱহাৰ কৰা উচিত। জীৱনৰ সৈতে জড়িত সকলো সামগ্ৰী স্বদেশী হ'ব লাগে বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। তেওঁ কয় যে উৎসৱৰ আনন্দৰ মাজত জনসাধাৰণে পৰিস্কাৰ-পৰিচ্ছন্নতাৰ দিশটোৰ প্ৰতিও গুৰুত্ব দিয়া উচিত, কিয়নো পৰিস্কাৰ-পৰিচ্ছন্ন পৰিবেশে উৎসৱৰ আনন্দ বৃদ্ধি কৰে। প্ৰধানমন্ত্ৰীয়ে কয় যে এক ভাৰত শ্ৰেষ্ঠ ভাৰতৰ ভাৱনা আৰু দেশৰ একতা ৰাষ্ট্ৰৰ উন্নয়নৰ বাবে অতিকে গুৰুত্বপূৰ্ণ আৰু এই ক্ষেত্ৰত খেল-ধেমালিয়ে বৃহৎ ভূমিকা পালন কৰে। খেল-ধেমালিৰ সৈতে জড়িতসকলৰ ব্যক্তিত্ব ফুলৰ দৰে প্ৰস্ফুটিত হয় বুলি শ্ৰীমোদীয়ে মন্তব্য কৰে। প্ৰাকৃতিক দুৰ্য্যোগৰ লেখিয়া ঘটনাসমূহে দেশৰ প্ৰতিগৰাকী লোকক ব্যথিত কৰি তুলিছে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে এনে ঘটনাত আপোনজনক হেৰুওৱা লোকসকলৰ পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰে। তেওঁ কয় যে এনে ধৰণৰ বিপৰ্যয় উদ্ভৱ হ'লে ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনী, ৰাজ্যিক দুৰ্যোগ সঁহাৰি বাহিনী আৰু অন্য সুৰক্ষা বাহিনীৰ লোকসকলে জনসাধাৰণৰ জীৱন ৰক্ষা কৰাৰ বাবে দিনে-নিশাই উদ্ধাৰ কাৰ্যত ব্ৰতী হয়। সৈনিকসকলেও প্ৰযুক্তিৰ সহায় লাভ কৰিছে বুলি উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে থাৰ্মেল কেমেৰা, লাইভ ডিটেক্টৰ, প্ৰশিক্ষিত কুকুৰ আৰু ড্ৰোণৰ দৰে অত্যাধুনিক সম্পদৰ জৰিয়তে উদ্ধাৰ অভিযান ত্বৰান্বিত কৰাৰ বাবে প্ৰচেষ্টা চলোৱা হৈছে।

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ বিভিন্ন পৰীক্ষাৰ সকলো পৰ্যায় সফলতাৰে পাৰ কৰা, কিন্তু মেধাৰ চূড়ান্ত তালিকাত স্থান নোপোৱা প্ৰাৰ্থীসকলৰ তথ্য মজুত কৰা প্ৰতিভা সেতু ডিজিটেল মঞ্চৰ বিষয়ে প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে। তেওঁ কয় যে এই পোৰ্টেলৰ জৰিয়তে ব্যক্তিগত কোম্পানীসমূহে এই প্ৰতিভাসম্পন্ন শিক্ষাৰ্থীসকলৰ তথ্য আহৰণ কৰিব পাৰে আৰু তেওঁলোকক নিয়োজিত কৰিব পাৰে। তেওঁ কয় যে এই প্ৰচেষ্টাৰ সুফল পাবলৈ আৰম্ভ হৈছে আৰু এই পোৰ্টেলৰ জৰিয়তে শ-শ প্ৰাৰ্থীয়ে কৰ্মসংস্থানৰ সুযোগ লাভ কৰিছে।

মন কী বাত অনুষ্ঠানত প্ৰধানমন্ত্ৰীয়ে ১৯৪৭ চনত হায়দৰাবাদৰ ঘটনাৱলী সন্দৰ্ভত লৌহমানৱ চৰ্দাৰ বল্লভ ভাই পেটেলৰ বাণীবদ্ধ ৰূপত থকা শ্ৰব্য বাৰ্তা শ্বেয়াৰ কৰি শ্ৰীমোদীয়ে কয়, যে ১৯৪৭ চনৰ আগষ্টত দেশে স্বাধীনতা লাভ কৰাৰ সময়ত হায়দৰাবাদৰ পৰিস্থিতি বাকী অংশতকৈ ভিন্ন আছিল। প্ৰধানমন্ত্ৰীয়ে কয় যে নিজাম আৰু ৰজাকাৰসকলৰ আতিশয্য দিনক দিনে বৃদ্ধি পাইছিল আৰু ত্ৰিৰংগ পতাকা উত্তোলন কৰা বা বন্দে মাতৰম বুলি কোৱাৰ বাবেও জনসাধাৰণক হত্যা কৰা হৈছিল। শ্ৰীমোদীয়ে কয় যে চৰ্দাৰ বল্লভ ভাই পেটেলে বিষয়টো নিজৰ হাতত লয় আৰু সশস্ত্ৰ বাহিনীসমূহে হায়দৰাবাদত নিজামৰ একনায়কত্ববাদৰ পৰা স্বাধীন কৰি ভাৰতৰ সৈতে চামিল কৰে।

ভাৰতৰ মহান অভিযন্তা মোক্ষগুণ্ডম বিশ্বেশ্বৰেইয়াৰ জন্মদিন উপলক্ষে ১৫ ছেপ্তেম্বৰত উদযাপন কৰা অভিযন্তা দিৱসৰ বিষয়ে উল্লেখ কৰি শ্ৰীমোদীয়ে কয় যে অভিযন্তাসকলে অকল যন্ত্ৰপাতি নিৰ্মাণ কৰাই নহয়, বৰং তেওঁলোক সপোনক বাস্তৱায়িত কৰা একো একোগৰাকী কৰ্মযোগীও।

ooooo

ৰাষ্ট্ৰীয় ক্ৰীড়া দিৱস-২০২৫ৰ লগত সংগতি ৰাখি কেন্দ্ৰীয় ক্ৰীড়া আৰু  যুৱ পৰিক্ৰমা দপ্তৰৰ ৰাজ্য মন্ত্ৰী ৰক্ষা খাদছে আৰু বলীউদৰ অভিনেতা জেকী শ্ৰফে আজি মুম্বাইত ফিট ইণ্ডিয়া চাইকেলছ্ অন ছানডে শীৰ্ষক ৰেলীৰ পতাকা জোকাৰি শুভাৰম্ভ কৰে। ভাৰতৰ ক্ৰীড়া প্ৰাধিকৰণৰ মুম্বাই আঞ্চলিক কেন্দ্ৰৰ বৰিভলী ৰাষ্ট্ৰীয় উদ্যানত এই অনুষ্ঠানৰ আয়োজন কৰে। সংবাদ মাধ্যমৰ সৈতে হোৱা বাৰ্তালাপত মন্ত্ৰী ৰক্ষা খাদছেই কয়, যে ফিট ইণ্ডিয়া চাইকেলছ্ অন ছানডে ৰেলীৰ লক্ষ্য হৈছে জনসাধাৰণৰ মাজত চাইকেল চলোৱাৰ উপকাৰিতাৰ লগতে সুস্থ জীৱন ধাৰণৰ বিষয়ে সজাগ কৰা। অনুষ্ঠানত অংশগ্ৰহণ কৰি অভিনেতা জেকী শ্ৰফে কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰম্ভ কৰা ফিট ইণ্ডিয়া পদক্ষেপক সকলোৱে সঁহাৰি জনোৱাৰ লগতে প্ৰতি দিনে আধা ঘণ্টা সময় সুস্থ জীৱন যাপনৰ বাবে ব্যৱহাৰ কৰা উচিত।

ooooo

বিহাৰৰ ৰাজগীৰত অনুষ্ঠিত পুৰুষৰ এছিয়া কাপ হকী প্ৰতিযোগিতাত ভাৰতে আজি জাপানক ৩-২ গ'লত পৰাস্ত কৰে। হৰমনপ্ৰীত সিঙে দুটা গ'ল কৰাৰ বিপৰীতে মনদীপ সিঙে এটা গ'ল দিয়ে। জাপানৰ হৈ কোচেই কাৱাবে দুটা গ'ল কৰে।

ইয়াৰ পূৰ্বে অনুষ্ঠিত আন এখন খেলত চীনে কাজাখাস্তানক ১৩-১ গ'লত পৰাস্ত কৰে। এই প্ৰতিযোগিতাত বিজয়ী দলটোৱে ২০২৬ চনত হ'বলগা পুৰুষৰ হকী বিশ্বকাপৰ বাবে স্থান নিশ্চিত কৰিব।

নিৰাপত্তাজনিত কাৰণত পাকিস্তানে আৰু বিত্তীয় অসুবিধাৰ বাবে অ'মানে প্ৰতিযোগিতাৰ পৰা নাম বাতিল কৰাত তেওঁলোকৰ স্থানত বাংলাদেশ আৰু কাজাখাস্তানক অন্তৰ্ভুক্ত কৰা হয়।

ooooo

সমাপ্ত